**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 29-07-2025
**Time :** 1845 Hrs

***Assamese Evening Bulletin***
***Headlines***
**--------------------**

০০০০০০

১। গোলাঘাট জিলাৰ অসম-নাগালেণ্ড সীমান্তৰ উৰিয়ামঘাটৰ ৰেংমা বনাঞ্চলত আজি বন বিভাগৰ উচ্ছেদ অভিযান।

২। শিক্ষামন্ত্ৰী ধৰ্মেন্দ্ৰ প্ৰধানৰ ধৰ্তি আবা জনজাতীয় গাওঁ উৎকৰ্ষ অভিযানৰ অধীনত জনজাতীয় ছাত্ৰ-ছাত্ৰীৰ বাবে ছাত্ৰাবাস নিৰ্মাণৰ আধাৰশিলা স্থাপন।

৩। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ সংসদৰ এইবাৰৰ অধিবেশন ভাৰতৰ বিজয় উৎসৱ বুলি মন্তব্য।

৪। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ কেন্দ্ৰীয় শক্তি, গৃহ নিৰ্মাণ আৰু নগৰ পৰিক্ৰমা মন্ত্ৰী মনোহৰ লালক সাক্ষাৎ। ***আৰু***

৫। আজি আন্তৰ্জাতিক ব্যাঘ্ৰ দিৱস। বিশ্বৰ বিভিন্ন প্ৰান্তৰ লগতে অসমতো দিনযোৰা কাৰ্যসূচী।

০০০০০০

গোলাঘাট জিলাৰ অসম-নাগালেণ্ড সীমান্তৰ উৰিয়ামঘাটৰ ৰেংমা সংৰক্ষিত বনাঞ্চলত আজি পুৱাৰে পৰা আৰক্ষী, চি আৰ পি এফ আৰু বন বিভাগে উচ্ছেদ অভিযান চলায়। আজি অঞ্চলটোৰ বিদ্যাপুৰ বজাৰ অঞ্চলত এই অভিযান চলোৱা হয়। আজি অঞ্চলটোৰ ভালেসংখ্যক ব্যৱসায়িক প্ৰতিষ্ঠান আৰু বাসগৃহ উচ্ছেদ কৰা হয়। কেইবাটাও পৰ্যায়ত চলিবলগীয়া এই অভিযানত দুহেজাৰ ৬০০ৰো অধিক পৰিয়ালক উচ্ছেদ কৰাৰ লগতে প্ৰায় ১১ হাজাৰ বিঘা ভূমি দখলমুক্ত কৰাৰ লক্ষ্য লোৱা হৈছে। বন বিভাগৰ জাননী পোৱাৰ পাছতে অঞ্চলটোৰ পৰা প্ৰায় ৮০ শতাংশ লোক আঁতৰি গৈছে যদিও একাংশ লোক এতিয়াও সেই স্থানতে আছে। উল্লেখযোগ্য যে বন বিভাগ আৰু প্ৰশাসনে অঞ্চলটোত উচ্ছেদ চলাবলৈ সাজু হোৱাৰ সময়তে নাগালেণ্ড উগ্ৰপন্থী সংগঠন এন এছ চি এনে এই কাৰ্যৰ বিৰোধিতা কৰিছিল যদিও আজি নগা আৰক্ষীৰ এটা বৃহৎ দলে এই উচ্ছেদ অভিযানত সহযোগ কৰে। এই অভিযান কালত অসম আৰক্ষী, বন বিভাগ আৰু চি আৰ পি এফৰ উচ্চপদস্থ বিষয়াসকল উপস্থিত থাকি পৰিস্থিতি তদাৰক কৰে। এই উচ্ছেদ অভিযান সন্দৰ্ভত এয়া আমাৰ গোলাঘাটৰ সংবাদদাতা হিৰণ্য গগৈ -

০০০ **বাইট** ০০০

০০০০০০

ৰাষ্ট্ৰীয় শিক্ষা নীতি ২০২০ৰ পাঁচ বছৰ সম্পূৰ্ণ হোৱাৰ উপলক্ষে আজি নতুন দিল্লীৰ ভাৰত মণ্ডপমত দেশজুৰি ধৰতী আবা জনজাতীয় গাঁও উৎকৰ্ষ অভিযানৰ অধীনত জনজাতীয় ছাত্ৰ-ছাত্ৰীৰ বাবে ছাত্ৰাবাস নিৰ্মাণৰ আধাৰশিলা স্থাপন কৰা হয়। শিক্ষা মন্ত্ৰী ধৰ্মেন্দ্ৰ প্ৰধানে ভাৰ্চুৱেল ব্যৱস্থাৰে এই কাৰ্যসূচীক নেতৃত্ব দিয়ে। এই কাৰ্যসূচীৰ জৰিয়তে অসমৰ ২০২৪-২৫ আৰু ২০২৫-২৬ বৰ্ষৰ বাবে মুঠ ২০৯টা ছাত্ৰাৱাস নিৰ্মাণ কৰিবলৈ লোৱা হৈছে। ইয়াৰ জৰিয়তে ৮১৫ কোটি টকা ব্যয় সাপেক্ষে ২৩খন জিলাৰ ৫৪২খন গাঁৱক সামৰি লোৱা হ'ব। এই ছাত্ৰাৱাসসমূহৰ স্থাপনৰ দ্বাৰা আওহতীয়া জনজাতীয় এলেকাসমূহত শিক্ষাৰ সুবিধা সুচলভাৱে প্ৰদান কৰাৰ লক্ষ্য লোৱা হৈছে। তদুপৰি শিক্ষা প্ৰদান ব্যৱস্থা সৰ্বাত্মক আৰু অবিৰত কৰাৰ লগতে বিদ্যায়তনিক ফলাফল উন্নত কৰাৰ ব্যৱস্থা কৰা হৈছে। ইয়াৰ ফলত স্থানীয় পৰ্যায়ত নিযুক্তিৰ সুবিধা বৃদ্ধি পোৱাৰ লগতে সামাজিক আন্তঃগাঁথনি শক্তিশালী হ'ব আৰু লিংগবৈষম্য দূৰ হ'ব বুলি আশা কৰা হৈছে। ৰাজ্যখনৰ কাৰ্বি আংলং জিলাত সৰ্বাধিক ৪১, ধেমাজিত ৩১ আৰু পশ্চিম কাৰ্বি আংলঙত ২৫টা এনে আৱাসৰ আধাৰশিলা স্থাপন কৰা হয়। আজি শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুৱে ধেমাজিৰ গোগামুখ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ পৰা কেন্দ্ৰীয় শিক্ষামন্ত্ৰীগৰাকীৰ নেতৃত্বৰ এই কাৰ্যসূচীত অংশ লয়। ডাঃ

পেগুৱে জিলাখনৰ এটা ছাত্ৰাৱাসৰ আধাৰশিলা স্থাপন কৰে। ৰাজ্যজুৰি বিভিন্ন জিলাত আজি মন্ত্ৰী-বিধায়কসকলে এই কাৰ্যসূচীত অংশ লৈ জনজাতীয় ছাত্ৰসকলৰ বাবে আৱাসিক ভৱনৰ আধাৰশিলা স্থাপন কৰে।

জোনাই সমষ্টিত আজি বিধায়ক ভূৱন পেগুৱে সমষ্টিটোৰ ২০খন বিদ্যালয়ৰ বাবে আৱাসিক ভৱন নিৰ্মাণৰ আধাৰশিলা স্থাপন কৰে। পশ্চিম কাৰ্বি আংলং জিলাৰ ২৫খন বিদ্যালয়ত আজি এই অভিযানৰ অধীনত আৱাসিক ভৱনৰ আধাৰশিলা স্থাপন কৰা হয়। কাৰ্বি আংলং জিলাৰ ডিফুৰ ৰেংবংহম উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীৰ বাবে আৱাসিক ভৱনৰ আধাৰশিলা কাৰ্বি আংলং স্বায়ত্ত শাসিত পৰিষদৰ শিক্ষা উন্নয়ন বোৰ্ডৰ অধ্যক্ষ ছেলাৰৰ বে'য়ে স্থাপন কৰে। ওদালগুৰি জিলাত আজি বিটিচিৰ কাৰ্যবাহী সদস্য দিগন্ত বৰুৱাই টংলা উচ্চতৰ মাধ্যমিক বিদ্যালয়ত ৪ কোটি টকা ব্যয় সাপেক্ষে নিৰ্মাণ হ'বলগীয়া ছাত্ৰাৱাসৰ আধাৰশিলা স্থাপন কৰে। একেদৰে হোজাই জিলাৰ লামডিং সমষ্টিৰ পুৰণি কাকী হাইস্কুলত আজি ১০০খন বিছনাযুক্ত শিক্ষাৰ্থীৰ আৱাসগৃহৰ আধাৰশিলা স্থাপন কৰা হয়। ঢেকিয়াজুলিৰ লোকনায়ক অমিয় কুমাৰ দাস হাইস্কুল হুগ্ৰাজুলি হাইস্কুলত এই কাৰ্যসূচী অনুষ্ঠিত হয়। গোলাঘাট জিলাৰ মেৰাপানীৰ চাওদাং পথাৰ উচ্চ মাধ্যমিক বিদ্যালয়ত বিত্ত মন্ত্ৰী অজন্তা নেওগে এই কাৰ্যসূচীত অংশ লয়।

০০০০০০

সংসদৰ চলিত অধিবেশনক ভাৰতৰ বিজয় উৎসৱ বুলি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি লোকসভাত মন্তব্য কৰে। লোকসভাত আজি অপাৰেচন সিন্দুৰ সন্দৰ্ভত হোৱা আলোচনাত অংশগ্ৰহণ কৰি প্ৰধানমন্ত্ৰীয়ে এই কথা প্ৰকাশ কৰে। তেওঁ কয় যে এই অধিবেশনে ভাৰতৰ বিজয়গাঁথাক গৌৰৱময় ৰূপত তুলি ধৰিছে। শ্ৰীমোদীয়ে এই বিজয় উৎসৱ সন্ত্ৰাসবাদৰ মূল ঘাটিক মষিমূৰ কৰাৰ উদযাপন বুলি অভিহিত কৰে। আজি লোকসভাত অপাৰেচন সিন্দুৰ সন্দৰ্ভত পুনৰ আলোচনাত কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহ, কংগ্ৰেছৰ নেতা ৰাহুল গান্ধীকে ধৰি কেইবাগৰাকীও নেতাই অংশ লৈ মন্তব্য আগবঢ়ায়।

০০০০০০

মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই নতুন দিল্লীত কেন্দ্ৰীয় শক্তি, গৃহ নিৰ্মাণ আৰু নগৰ পৰিক্ৰমা মন্ত্ৰী মনোহৰ লালক সাক্ষাৎ কৰে। তেওঁ কেন্দ্ৰীয় মন্ত্ৰীগৰাকীৰ সৈতে ৰাজ্যৰ শক্তি খণ্ডৰ উন্নয়নৰ বিভিন্ন দিশ সন্দৰ্ভত আলোচনা কৰে। মুখ্যমন্ত্ৰীয়ে আজি বিজেপিৰ ৰাষ্ট্ৰীয় মুখপাত্ৰ শ্বাহ নৱাজ হুছেইনকো সাক্ষাৎ কৰে। ডঃ শৰ্মাই আজি কেন্দ্ৰীয় বন্দৰ, জাহাজ আৰু পৰিবহন আৰু জলপথ মন্ত্ৰী সৰ্বানন্দ সোণোৱালক সাক্ষাৎ কৰি আলোচনাত মিলিত হয়। মুখ্যমন্ত্ৰীয়ে চি আৰ পি এফৰ সঞ্চালক প্ৰধান জি পি সিঙকো সৌজন্যমূলক সাক্ষাৎ কৰে।

০০০০০০

আজি আন্তৰ্জাতিক ব্যাঘ্ৰ দিৱস। বিশ্বত বাঘ সংৰক্ষণৰ ক্ষেত্ৰত সজাগতা সৃষ্টিৰ বাবে প্ৰতিবছৰে ২৯ জুলাইৰ দিনটোত এই দিৱস পালন কৰি অহা হৈছে।

কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যান কৰ্তৃপক্ষই দিনযোৰা কাৰ্যসূচীৰে এই দিৱস পালন কৰিছে। উল্লেখযোগ্য যে বাঘ সংৰক্ষণৰ দিশত গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰা ৰাষ্ট্ৰসমূহৰ ভিতৰত ভাৰতৰ স্থান অন্যতম। কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানেও এই দিশত বিশেষ সফলতা লাভ কৰিছে আৰু ২০০৭ চনত কাজিৰঙা টাইগাৰ ৰিজাৰ্ভ হিচাপে স্বীকৃতি হৈছে। শেহতীয়া তথ্য মতে কাজিৰঙাত ১০৪ টা বাঘৰ উপস্থিতিৰ প্ৰমাণ পোৱা গৈছে যদিও উদ্যানখনত ১২১ টা বাঘ থকাৰ ধাৰণা কৰা হৈছে।

মানস ৰাষ্ট্ৰীয় উদ্যানতো আজি আন্তৰ্জাতিক ব্যাঘ্ৰ দিৱস পালন কৰা হৈছে। মানস ৰাষ্ট্ৰীয় উদ্যানত ঢেকিয়াপতীয়া বাঘৰ সংখ্যা বিগত বৰ্ষত ৬০ টালৈ বৃদ্ধি পাইছে বুলি উদ্যান কৰ্তৃপক্ষই জানিবলৈ দিছে। আজি ব্যাঘ্ৰ দিৱসৰ কাৰ্যসূচী অনুসৰি উদ্যানখনত সংৰক্ষণৰ দিশটো কেনেদৰে অধিক কাৰ্যক্ষম কৰি তুলিব পৰা হয় সেই সন্দৰ্ভত আলোচনা কৰা হয়। লগতে উদ্যানখনত স্বচ্ছতা, নিয়মানুৱৰ্তিতা, সংৰক্ষণ আদি দিশত উৎকৃষ্ট নিদৰ্শন দেখুওৱা বিভিন্ন বন শিবিৰক সন্মানিত কৰা হয়। আজিৰ কাৰ্যসূচীত উদ্যান কৰ্তৃপক্ষই লগতে ৫ শতাধিক স্থানীয় লোকে অংশগ্ৰহণ কৰে।

ওৰাং ৰাষ্ট্ৰীয় উদ্যানতো আজি আন্তৰ্জাতিক ব্যাঘ্ৰ দিৱস পালন কৰা হৈছে। ওৰাং ব্যাঘ্ৰ প্ৰকল্পৰ কাৰ্যবাহী সঞ্চালক তথা মঙলদৈ বন্যপ্ৰাণী সংমণ্ডল বিষয়া প্ৰদীপ্ত বৰুৱাই উপস্থিত ৰাইজৰ মাজত এই বিষয়ৰ তাৎপৰ্য ব্যাখ্যা কৰি এইদৰে কয় ঃ

বাইট

আন্তৰাষ্ট্ৰীয় ব্যাঘ্ৰ দিৱসৰ লগত সংগতি ৰাখি বিশ্বনাথ বন্যপ্ৰণী সংমণ্ডলৰ অধীনত বিশ্বনাথ গলিয়া খেলপথাৰত আজি সজাগতা সৃষ্টিৰ বাবে এখন প্ৰীতি ফুটবল খেল অনুষ্ঠিত কৰা হয়। পুৱাৰ ভাগত বনকৰ্মী আৰু স্থানীয় যুৱকসকলে ছাফাই অভিযানতো অংশলয়। কাৰ্যসূচীত বন্যপ্ৰাণী সংমণ্ডলৰ বিষয়াসকলৰ লগতে বহু স্থানীয় লোকে অংশগ্ৰহণ কৰে।

০০০০০০

গুৱাহাটী উচ্চ ন্যায়ালয়ৰ জ্যেষ্ঠ অধিবক্তা অঞ্জনমণি কলিতা আৰু ৰাজেশ মজুমদাৰ, ন্যায়িক বিষয়া প্ৰাঞ্জল দাস আৰু সঞ্জীৱ কুমাৰ শৰ্মাই কাইলৈ গুৱাহাটী উচ্চ ন্যায়ালয়ৰ অতিৰিক্ত ন্যায়াধীশ হিচাপে শপত গ্ৰহণ কৰিব। উচ্চ ন্যায়ালয়ৰ নতুন ভৱনৰ ১ নম্বৰ আদালতত কাইলৈ দিনৰ ১০ বজাত আয়োজিত অনুষ্ঠানত মুখ্য ন্যায়াধীশ আশুতোষ কুমাৰে তেওঁলোকক শপত গ্ৰহণ কৰোৱাব। উল্লেখযোগ্য যে কেন্দ্ৰীয় আইন আৰু ন্যায় মন্ত্ৰী অৰ্জুন ৰাম মেঘৱালে কালি সামাজিক মাধ্যমৰ এটা বাৰ্তাযোগে এই অতিৰিক্ত ন্যায়াধীশ কেইগৰাকীৰ নিযুক্তিৰ কথা প্ৰকাশ কৰিছিল।

০০০০০০

অভিনেত্ৰী নন্দিনী কাশ্যপৰ গাড়ীৰ খুন্দাত গুৰুতৰভাৱে আঘাতপ্ৰাপ্ত হৈ চিকিৎসাধীন হৈ থকা চামিউল হক নামৰ যুৱকজনৰ আজি মহানগৰীৰ এখন ব্যক্তিগত চিকিৎসালয়ত মৃত্যু হয়। যোৱা ২৫ জুলাইৰ পুৱতি নিশা নন্দিনী কাশ্যপৰ গাড়ীৰ খুন্দাত যুৱকজন গুৰুতৰভাৱে আহত হৈছিল। নলবাৰী পলিটেকনিকৰ ছাত্ৰ চামিউলক আহত কৰা ঘটনা সন্দৰ্ভত দিশপুৰ আৰক্ষীয়ে কালি অভিনেত্ৰীগৰাকীক জেৰা কৰিছিল।

০০০০০০

নিচামুক্ত ভাৰত অভিযানৰ অংশ হিচাপে কাছাৰ জিলাত আজি মাদক দ্ৰব্যৰ বিৰুদ্ধে এটা শুভংকৰ মুকলি কৰা হয়। এই উপলক্ষে জিলা মহিলা আৰু শিশু কল্যাণ বিভাগৰ সহযোগত জিলা আয়ুক্ত কাৰ্যালয়ত এখন সভা অনুষ্ঠিত হয়। এই সভাত জিলাখনৰ আয়ুক্ত মৃদুল যাদৱে এই অভিযান আৰু শুভংকৰ মুকলি সন্দৰ্ভত আকাশবাণীৰ সংবাদদাতা আখীৰাণী দাসৰ আগত এইদৰে প্ৰকাশ কৰে।

**বাইট**

০০০০০০

অসম চৰকাৰৰ বিশেষ প্ৰকল্পৰ অধীনত গুৱাহাটীৰ শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰ সমাজে আজি অসমৰ নৃগোষ্ঠীয় সাংস্কৃতিক সমন্বয় আৰু বিনিময় অভিযান শীৰ্ষক কাৰ্যসূচীৰ দ্বিতীয় সংস্কৰণৰ আয়োজন কৰিছে। কুৰিটা জনগোষ্ঠীৰ লোকৰ অংশগ্ৰহণেৰে প্ৰথম পৰ্যায়ৰ কাৰ্যসূচী অন্ত পৰাৰ পাছত আজিৰে পৰা দ্বিতীয় আৱাসিক কৰ্মশালা কলাক্ষেত্ৰ চৌহদত অনুষ্ঠিত হৈছে। বিভিন্ন জনগোষ্ঠীৰ মাজত কৃষ্টি-সংস্কৃতিৰ পাৰস্পৰিক বিনিময়েৰে সমন্বয়ৰ মনোভাৱ সৃষ্টিৰ বাবে এই অভিলাষী কাৰ্যসূচী ৰূপায়ণ কৰা হৈছে। এইবাৰৰ কৰ্মশালাত বানাই, পাহাৰীয়া তিৱা, মণিপুৰী মেইতেই আৰু চাওতালী জনগোষ্ঠীৰ শিল্পীসকলে অংশ লৈছে। তদুপৰি এই কৰ্মশালাত সত্ৰীয়া নৃত্য, বৰগীত, ভোৰতাল, মাটি আখৰা আৰু যোগাসনৰ শিক্ষাও দিয়া হ'ব। ইয়াৰ লগতে জনগোষ্ঠীয় খাদ্যাভ্যাস, সাজপাৰ ইত্যাদিৰ বিষয়েও অংশগ্ৰহণকাৰীসকলে জ্ঞান অৰ্জন কৰিব পাৰিব। কৰ্মশালাৰ আটাইকেইটা দিনতে সন্ধিয়াৰ ভাগত বৌদ্ধিক আলোচনা অনুষ্ঠিত হ'ব। এই আলোচনাত বিশিষ্ট শিল্পী, বুদ্ধিজীৱি, চিন্তাবিদসকলে প্ৰশিক্ষাৰ্থীসকলৰ সৈতে মত-বিনিময় কৰিব। ৯ আগষ্টত বৰ্ণাঢ্য সাংস্কৃতিক অনুষ্ঠানৰ আয়োজন কৰা হৈছে। শ্ৰীমন্ত শংকৰদেৱৰ কলাক্ষেত্ৰৰ সচিব সুদৰ্শন ঠাকুৰে এই সন্দৰ্ভত কয় যে বিভিন্ন জাতি-জনগোষ্ঠীৰ মাজত ঐক্যৰ মনোভাৱ সৃষ্টিৰে বৰ অসমৰ ধাৰণাটো শক্তিশালী ৰূপত উপস্থাপন কৰাৰ বাবে এই প্ৰকল্প ৰূপায়ণ কৰা হৈছে। সামগ্ৰিকভাৱে দ্বিতীয় পৰ্যায়ৰ এই কাৰ্যসূচীত ১৬টা জনগোষ্ঠীৰ পাঁচ শতাধিক যুৱ শিল্পীয়ে অংশগ্ৰহণ নিশ্চিত কৰিছে বুলি তেওঁ কয়।

০০০০০০

কামৰূপ জিলাৰ বকো-লামপি সংযোগী পথছোৰা ভূমিস্খলনৰ ফলত যাতায়াত বন্ধ হৈ আছে। শনিবাৰৰ পৰা বন্ধ হৈ থকা এই পথ আজি জিলা আয়ুক্ত দেৱ কুমাৰ মিশ্ৰই পৰিদৰ্শন কৰি সেই ঠাই পৰি থকা প্ৰকাণ্ড শিল ভাঙি শীঘ্ৰে পথ মুকলি কৰিব বুলি মন্তব্য কৰে। যোৱা ৪ দিন ধৰি এই পথ বন্ধ হৈ থকাৰ বাবে লাম্পি অঞ্চলৰ ৰাইজ অসুবিধাৰ সন্মুখীন হৈছিল। আজি আয়ুক্তগৰাকীৰ পৰ্যবেক্ষনকালত কেইবাটাও বিভাগৰ মুৰববী বিষয়াসকল উপস্থিত থাকে।

০০০০০০

জলসিঞ্চন মন্ত্ৰী অশোক সিংহালে আজি কলিয়াবৰৰ হাতীমূৰা জলসিঞ্চন আঁচনি পৰিদৰ্শন কৰে। এই আঁচনিৰ জৰিয়তে খৰালি কালত কৃষি ভূমিলৈ পানী দিয়াৰ ব্যৱস্থা কৰা হৈছে বুলি তেওঁ উল্লেখ কৰে। এই প্ৰকল্পটো পুনৰনিৰ্মাণ কৰাৰ বাবে ইতিমধ্যে ধন আবণ্টন দিয়া হৈছে বুলিও তেওঁ উল্লেখ কৰে। এই পৰিদৰ্শন কালত স্থানীয় বিধায়ক তথা মন্ত্ৰী কেশৱ মহন্ত উপস্থিত আছিল। মন্ত্ৰী সিংহালে আজি জখলাবন্ধাৰ কলিয়াবৰ মহকুমা অসামৰিক চিকিৎসালয়খন পৰিদৰ্শন কৰে।

০০০০০০

শক্তি আৰু দক্ষতা বিকাশ বিভাগৰ মন্ত্ৰী প্ৰশান্ত ফুকনে আজি মানকাচৰৰ হাতশিঙিমাৰী জিলা আয়ুক্তৰ কাৰ্যালয়ত প্ৰশাসন আৰু বিভিন্ন  বিভাগৰ মুৰববী বিষয়াৰ সৈতে এখন পৰ্যালোচনা বৈঠকত মিলিত হয়। অহা ১৫ আগষ্টৰ ভিতৰত জিলাখনৰ উন্নয়নক লৈ আৰু কেইবাগৰাকী মন্ত্ৰীয়ে মানকাচৰ পৰিদৰ্শন কৰি মুখ্যমন্ত্ৰীক প্ৰতিবেদন দাখিল কৰিব বুলি মন্ত্ৰী শ্ৰীফুকনে সাংবাদিকক জানিবলৈ দিয়ে।

০০০০০০

ৰাধা গোবিন্দ বৰুৱা সোঁৱৰণী ১৬ বছৰ অনুৰ্দ্ধৰ ল'ৰাৰ আন্তঃজিলা ক্ৰিকেট প্ৰতিযোগিতাৰ মধ্য অসম মণ্ডলৰ গ্ৰুপ এৰ পঞ্চমখন খেলত কাৰ্বি আংলং জিলা ক্ৰিকেট সন্থাৰ তিতাবৰ ক্ৰিকেট সন্থাৰ বিৰুদ্ধে এক ইনিংছ আৰু ৩০ ৰাণৰ ব্যৱধানত জয়লাভ কৰি বনাচসহ সম্পূৰ্ণ  পইণ্ট লাভ কৰিছে। মৰিগাঁও জিলা ক্ৰিকেট সন্থাৰ আতিথ্যত আৰু ক্ৰিকেট উপ-সমিতিৰ তত্বাৱধানত অনুষ্ঠিত আজিৰ খেলত কাৰ্বি আংলং জিলা ক্ৰিকেট সন্থাই নিজৰ প্ৰথম ইনিংছত বেট ধৰি ৪৪ অভাৰ আৰু ৫টা বলত ১৪৬ ৰাণ সংগ্ৰহ কৰে। প্ৰত্যুত্তৰত তিতাবৰ দলে ১৯ অভাৰ আৰু তিনিটা বলত মাত্ৰ ৩৬ ৰাণহে কৰিবলৈ সমৰ্থ হয়।

০০০০০০

সমাপ্ত